এদিন ভৈৰৱীয়ে মানুহজনৰ বেডৰ ওচৰত থিয় হৈ শৰীৰৰ বুজ লোৱাৰ লগে লগে মনৰ কিছুমান কথা তেওঁ ভৈৰৱীক ক'বলৈ ধৰিলে—"... বহুত পুৰণি কথা নোহোৱা হৈ নতুন হৈছে। নতুনবোৰ আকৌ পুৰণি হৈছে। ভালেই হৈছে নে বেয়া হৈছে নাজানো। কিন্তু মোৰ গোপন বন্দৰত এতিয়াও বহু কথা সলনি নোহোৱাকৈ আছে, প্ৰাচীন সাধুকথাৰ দৰে।

ভৈৰৱীয়ে স্থিৰভাৱে মানুহজনলৈ চাই মূৰটো দুপিয়ালে। তাই ম্লান হৈ পৰিল তেওঁৰ আবদাৰ মিশ্ৰিত অনুযোগ, ঘনিষ্ঠতাব্যঞ্জক কোমল সুৰত। এনেবোৰ পৰিস্থিতিত ৰোগীয়ে এই ধৰণৰ কথা কোৱাটো স্বাভাৱিক বুলি ধৰি ল'লে তাই। তেওঁৰ সমগ্ৰ অবয়ব ভৈৰৱীৰ চকুত স্পষ্ট হৈ পৰিল। তেওঁৰ ক্লান্ত দেহৰ, মলিন মুখ ভাবৰ তলত আছিল কষ্টকৰ সময়ৰ ছাপ, কোনো স্থিৰ দৃঢ় প্ৰতিজ্ঞাৰ প্ৰচ্ছন্ন উদ্ভাস।

এটা সৌজন্যমূলক হাঁহি মাৰি ভৈৰৱী মানুহজনৰ কাষৰ পৰা আঁতৰি আহিল। পাছদিনা হঠাতে মানুহজনৰ অক্সিজেনৰ পৰিমাণ কমি অহাত উশাহ লোৱাত কষ্ট হোৱাৰ কাৰণে তেওঁক আই ছি ইউলৈ স্থানান্তৰিত কৰা হ'ল।

হস্পিটেলৰ কৰ্তব্য আৰু দায়িত্বৰ মাজতে ভৈৰৱীৰ মনত পৰিল ঘৰত অকলশৰে থকা মাকজনীলৈ। মাকৰ একমাত্ৰ সন্তান পিতৃহীন ভৈৰৱীয়ে পঢ়ি-শুনি নাৰ্ছৰ কামত নিয়োজিত হৈ সুন্দৰকৈ চলি আছিল। পিছে হঠাতে মহামাৰী কৰ'না ভাইৰাছে সৃষ্টি কৰা কিছুমান ব্যৱস্থাই সকলো ওলট-পালট কৰি দিলে।

চাৰিওফালে বন্ধ। এই বতাহ বিষাক্ত। এই সময় প্ৰতিকূল। দেশত লকডাউন। বিনা কাৰণত ঘৰৰ বাহিৰলৈ যোৱা নিষেধ। বাৰে বাৰে হাতধোৱা, সামাজিক দূৰত্ব বজাই ৰখা, মাস্ক পৰিধান কৰা, পকেটত ছেনিটাইজাৰ লৈ ফুৰা কথাবোৰে মানুহৰ মনত সাঁচ বহুৱাবলৈ ধৰিলে। নিয়মবোৰ নামানিলে ইজনৰ পৰা সিজনলৈ বিয়পিব পৰা বেমাৰ এটাই পৰিস্থিতি জটিল কৰি তোলাৰ সম্ভাৱনাই সকলোকে শংকিত কৰি তুলিলে। কোনোবাই কয়—চুলে হ'ব, কোনোবাই কয়—কাহিলে-হাঁচিয়ালে হ'ব। কোনোবাই কয়—ই বতাহতো ভাহি আহে। নানাজনৰ নানা কথা। সাধাৰণ মানুহৰ কথাতো বেলেগেই, চিকিৎসা বিজ্ঞানৰ বিশেষজ্ঞসকলেও কোনে কেতিয়া কি কয় একো ঠিক নাই।

ধৰ্মীয় সভা এখনৰ গইনা লৈ এই বেমাৰবিধ ৰাজ্যত বিয়পি পৰিল। ভৈৰৱী কৰ'না যুদ্ধখনত যোদ্ধা হিচাপে অৱতীৰ্ণ হ'ল। চৈধ্যদিন হস্পিটেলত কৰ্তব্য কৰি সাতদিন কোৱাৰেণ্টাইন খটাৰ পাছত দুদিন ঘৰত থাকি পুনৰ কৰ্তব্যত ৰত হ'বলগীয়া হ'ল ভৈৰৱী। এনেকৈয়ে চলি থকা দিনবোৰৰ মাজতে ভৈৰৱীয়ে অকলশৰীয়া মাকৰ কথা ভাবি বিমোৰত পৰে। অৱশ্যে ফোনযোগে মাকৰ খা-খবৰ লৈ থাকে। মাকৰ সহায়ক হিচাপে থকা বাইজনীক লকডাউনৰ সময়তে আগতীয়াকৈ দৰমহাটো দি বিদায় দিয়াৰ কথা এদিন মাকে তাইক ক'লে। বাইজনী নহাৰ পাছত বাহিৰে-ভিতৰে ঘৰৰ সকলো কাম কৰিবলগীয়া হোৱা মাকজনীৰ কথা ভাবি ভৈৰৱীয়ে হুমুনিয়াহ পেলালে। মাকে কিন্তু তেওঁৰ অসুবিধা নাই হোৱা বুলি কৈ ভৈৰৱীক নিৰ্ভয় দিলে—"তুমি মহান কৰ্তব্যত নিয়োজিত হৈছা। তোমাৰ কৰ্তব্য আৰু দায়িত্ব নিশ্চিন্তভাৱে পালন কৰি যোৱা। মোৰ কথা চিন্তা নকৰিবা। মই ভালে আছোঁ আৰু ভালে থাকিম।"

এৰা, এটা সৰু অচিন ভাইৰাছে কেনেকৈ মাৰাত্মক ৰূপ ধাৰণ কৰি গোটেই পৃথিৱীখনকে ভীতিগ্ৰস্ত কৰি তুলিছে, চিন্তাৰ সাগৰত ডুব নিয়াইছে, ভাবিলে ভৈৰৱীয়ে। চৰকাৰ দ্বিধাগ্ৰস্ত হৈছে। ছ'চিয়েল মিডিয়াত ভাইৰেল হৈ পৰা ভিডিঅ'বোৰ চাই চাই মানুহবোৰে প্ৰমাদ গণিছে। ভৈৰৱীয়ে পুনৰ ভাবিলে—যি হৈছে ভালেই হৈছে। অঘোষিত প্ৰতিযোগিতাত নামি ঘড়ীৰ কাঁটাৰ দৰে চলি যান্ত্ৰিকতাৰ মাজত ডুবি থকা মানুহবোৰে তেও এতিয়া আত্মবিশ্লেষণ কৰিবলৈ সুযোগ পাইছে। ইজনে-সিজনক সময় দিব নোৱৰা মানুহবোৰ এতিয়া একেলগে ঘৰতে আছে। তাইৰ মনত আকৌ অন্য কথা এটায়ো ভুমুকি মাৰিলে, লকডাউন বা তলাবন্ধৰ দৰে ব্যৱস্থাই মানুহক এফালে ঘৰত আবদ্ধ হৈ থাকিবলৈ বাধ্য কৰাইছে যদিও আনফালে বেছি ভাগৰে জীৱন আৰু জীৱিকাক সংকটৰ মাজলৈও ঠেলি দিছে।

সঁচাকৈয়ে পৃথিৱীখন একমাত্ৰ মানুহৰ কাৰণেই বুলি ভাবি ইমান দিনে প্ৰকৃতিৰ ওপৰত মানৱে কমখন অত্যাচাৰ চলাইছেনে? এতিয়া প্ৰকৃতিয়ে শান্তিৰে উশাহ লৈছে। জীৱ-জন্তু, চৰাই-চিৰিকটিয়ে মুক্তভাৱে শান্তিৰে নিজৰ মতে বিচৰণ কৰিব পাৰিছে। একে তেজ-মঙহৰে সৃষ্ট এই মানৱ সমাজক ধৰ্ম-বৰ্ণ-জাতি নিৰ্বিশেষে সকলোকে সমজ্ঞান কৰি এখন নীল আকাশৰ তলত শান্তিৰে নিজে জীয়াই থকাৰ উপৰিও প্ৰকৃতি জগতৰ আনকো শান্তিৰে জীয়াই থাকিবলৈ দিয়া এই কথাবিলাকো কৰ'না ভাইৰাছে সোঁৱৰাই দিলে।

'চিষ্টাৰ' বুলি চিঞঁৰা এজন ৰোগীৰ মাতত ভৈৰৱী বাস্তৱলৈ ঘূৰি আহিল। তৎক্ষণাৎ ভৈৰৱী ৰোগীজনৰ কাষ পালেগৈ। ৰোগীজনৰ জ্বৰ উঠিছে। থাৰ্ম'মিটাৰেৰে তেওঁৰ গাৰ উত্তাপ জুখি ঔষধ সেৱন কৰাই ভৈৰৱী দুদিনৰ আগতে ভেণ্টিলেশ্যনত ভৰ্তি হোৱা দিল্লীৰ পৰা অহা মানুহজনৰ কাষলৈ গ'ল। মানুহজনৰ স্বাস্থ্য বৰ্তমান সুস্থিৰলৈ আহিছে। দুই-এদিনতে তেওঁক কেবিনলৈ স্থানান্তৰিত কৰিব পৰা যাব। ভৈৰৱী আশ্বস্ত হ'ল। এয়া ক'ভিডক পৰাজিত কৰি যুদ্ধখনত এখোজ আগুৱাই যোৱাৰ জাননী।

সেইদিনা ফৰকাল বতৰ। সুস্থ হৈ মানুহজন ঘৰলৈ যাবলৈ সাজু হৈছে। মানুহজনক বিদায় সম্ভাষণ জনাবলৈ পি পি ই কিট নিপিন্ধাকৈ ভৈৰৱী, তেওঁৰ আগত থিয় হ'লগৈ। "আজি বৰ স্ফূৰ্তি লাগিছে নহয়?" —ভৈৰৱীয়ে এটা হাঁহি মাৰি মানুহজনক সুধিলে। মাতটোতে ভৈৰৱী বুলি চিনি পালে মানুহজনে। লগ পোৱাৰ পৰা পি পি ই কিট পিন্ধি থকা ভৈৰৱীৰ নেদেখা মুখখন সেইদিনা দেখা পাই তাইলৈ তেওঁ একেথৰে চাই থাকি ক'লে—"মই আগেয়ে লগ পোৱা কাৰোবাৰ মুখৰ লগত যেন আপোনাৰ মুখখনৰ ক'ৰবাত মিল আছে।"

"কেতিয়াবা তেনেকুৱা লাগে।"—সহজভাৱে হাঁহি এটা মাৰি ভৈৰৱীয়ে উত্তৰ দিলে।

"হয়, এইকেইদিনৰ আপোন আপোন ভাবে চাগৈ তেনেকুৱা এটা ধাৰণা মনলৈ আনিছে। কৰ'না বেমাৰৰ কাৰণেই আপোনাক লগ পালোঁ। আপোনালোকৰ সেৱা-শুশ্ৰূষাই কেনে মধুৰ সম্পৰ্ক এটাৰ সৃষ্টি কৰিলে তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰোঁ। ভাইৰাছটোৱে আমাৰ মাজত গঢ়ি তোলা সম্পৰ্কক সজীৱ কৰি ৰাখিবলৈ চেষ্টা কৰিব" বুলি কৈ মানুহজনে তেওঁৰ ফোন নম্বৰটো ভৈৰৱীৰ ফোনত ছেভ কৰি ৰাখিবলৈ ক'লে।

কেতিয়াবা নিৰীহ এষাৰ কথাও সংকোচৰ সিপাৰে আহি ৰৈ থাকে। মানুহজনৰ আন্তৰিকতাৰ মাজত যেন ভৈৰৱীয়ে শুনিবলৈ পালে এটা পুৰণি গানৰ টুকুৰাৰ সুৰ-স্মৃতি, বহু অচিন মায়াৰ ধূঁৱলী। মানুহজনৰ মনত তাইৰ প্ৰতি সৃষ্টি হোৱা কৌতূহলৰ দৰে ভৈৰৱীৰ মনতো এটা কৌতূহলৰ সৃষ্টি হ'ল। মানুহজনক যেন তাই আগতে ক'ৰবাত খন্তেকৰ কাৰণে দেখিছিল বা তেওঁৰ নামটো কাৰোবাৰ মুখত উচ্চাৰিত হোৱা শুনিছিল! কিয় বাৰু তাইৰ মনটো এনে লাগিল।

মনৰ খুদুৱনিৰ তাড়নাত ভৈৰৱীয়ে শুশ্ৰূষা কৰি থকা ৰোগীৰ তালিকাখনত মানুহজনৰ নাম-ঠিকনা পুনৰ চালেগৈ। ঠিকেই তেওঁৰ নাম প্ৰমোদ শৰ্মা, ঘৰ কামৰূপৰ এখন ভিতৰুৱা গাঁও বামুণপাৰাত।

চৈধ্যদিন হস্পিটেলত কৰ্তব্য কৰাৰ পাছত সাতদিনৰ কাৰণে কোৱাৰেণ্টাইন খাটিবলৈ ভৈৰৱী এখন হোটেললৈ আহিল। অকলশৰে থাকিবলগীয়া হোৱা কোঠাটোত তাই কেতিয়াবা শ্বাসৰুদ্ধ হৈ ক্লান্ত, বিৱশ দেহ ওপঙা শেলাইৰ দৰে নিঃসংগতাৰ সোঁতত হেৰাই যাব